# অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



সভাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন উপলক্ষে মূল পতাকা উত্তোলনৰ আগ মুহূৰ্তত সম্বৰ্ধিত সভাপতি ড° কুলধৰ শইকীয়া

গোলাঘাট জিলা সাহিত্য সভাৰ উদ্যোগত, গোলাঘাট জিলা প্ৰশাসন, বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাইজৰ সহযোগত যোৱা ২৭ ডিচেম্বৰ, ২০২১ খ্ৰীষ্টাব্দত গোলাঘাটত বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ ১০৫ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপিত হৈ যায়। পুৱা ৮-৪৫ বজাৰ পতাকা উত্তোলন কাৰ্যসূচীত অসম সাহিত্য সভাৰ মূল পতাকা উত্তোলন কৰে অসম সাহিত্য সভাৰ মাননীয় সভাপতি ড° কুলধৰ শইকীয়াই। ইয়াৰ পিছত জাতি-জনগোষ্ঠীৰ স্বকীয় কৃষ্টি প্ৰদৰ্শন, দবা, শঙ্খ, কাঁহৰ ধ্বনী, আয়তিৰ উৰুলিৰে ১০৫ খন পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। ১০৫ খন পতাকা উত্তোলন কাৰ্যসূচীত অসম সাহিত্য সভাৰ মাননীয় উপ-সভাপতি মৃণালিনী দেৱী, প্ৰাক্তন সভাপতি তথা সম্প্ৰতি ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, গোলাঘাট জিলাৰ মাননীয় উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, দেশৰ গৌৰৱ, অলিম্পিয়ান লাভলীনা বৰগোহাঁই, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে পতাকা উত্তোলন কৰি লাভলীনা বৰগোহাঁয়ে জাতীয় সংগঠন অসম সাহিত্যসভাৰ আজীৱন সভ্য পদ গ্ৰহণ কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। পতাকা উত্তোলন কাৰ্যসূচী পৰিচালনা কৰে সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মা আৰু আদৰণি সমিতিৰ সভাপতি দিগন্ত কুমাৰ ভূঞাই।

ইয়াৰ পিছত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে অৰুণাচল প্ৰদেশৰ বিশিষ্ট লেখক তথা অৱসৰপ্ৰাপ্ত ভাৰতীয় বায়ু সেনা বিষয়া মহন্তো পাংগিঙে। সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই মুকলি সভাৰ মুখ্য অতিথি নাগা হোহোৰ সভাপতি এইচ. কে. ঝিমমিয়ে তেওঁৰ ভাষণত অসম আৰু নাগালেণ্ডৰ মাজৰ ঐতিহাসিক সম্পৰ্কৰ কথা উল্লেখ কৰে।

সভাত সন্মানীয় অতিথি আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত থকা ব্যক্তিসকলৰ ভিতৰত ড° পৰমানন্দ ৰাজবংশী, মৃণালিনী দেৱী, প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ চন্দ্ৰ তাছা, প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা আৰু সদৌ অসম ছাত্ৰ সন্থা তথা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ শীৰ্ষস্থানীয় নেতৃবৃন্দ উল্লেখযোগ্য।

০০০০